# অসম লোকসেৱা আয়োগ
## জৱাহৰ নগৰ, খানাপাৰা, গুৱাহাটী-২২
# স্পষ্টীকৰণ

যোৱা ১৪ মে’, ২০১৫ তাৰিখে একাংশ সংবাদ পত্ৰত অসম লোকসেৱা আয়োগৰ বিৰুদ্ধে নানানটা অপমানজনক বিশেষণ সম্বলিত ডাঙৰ ডাঙৰ হৰফেৰে পৰিৱেশন কৰা বাতৰিৰ প্ৰতি আয়োগৰ দৃষ্টিগোচৰ হৈছে। আয়োগে গভীৰ উদ্বেগেৰে লক্ষ্য কৰিছে যে প্ৰতিটো সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ঠিক আগত আৰু পাচত একাংশ সংবাদ মাধ্যমত প্ৰকাশিত কেতবোৰ ভিত্তিহীন ‘ৰুটিন নিউজ’এ পৰীক্ষাৰ্থী তথা অভিভাৱক সকলক বিভ্ৰান্ত কৰাই নহয়, নতুন প্ৰজন্মৰ মনোবলত আঘাত হানে। প্ৰতিযোগিতামূলক লিখিত পৰীক্ষা অনুষ্ঠিত কৰা হয় বিভিন্ন কেন্দ্ৰত কেন্দ্ৰৰ তত্বাৱধায়কৰ তত্বাৱধানত আৰু পৰীক্ষা নিৰীক্ষকৰ নিৰীক্ষণত। তাত কোন পৰীক্ষাৰ্থীক কোনে বিশেষ কলমৰ যোগান ধৰে সেই বিষয়ে আয়োগ অৱগত নহয়। যিজনে তেনে অনিয়ম দেখিছে তেওক আয়োগে নিৰ্দিষ্টকৈ দেখুৱাই দিবলৈ বিনম্ৰ অনুৰোধ জনাইছে।

আয়োগৰ অধ্যক্ষ, সদস্য বা বিষয়াই আয়োগে অনুষ্ঠিত কৰা যিকোনো পৰীক্ষাৰ প্ৰশ্ন প্ৰস্তুত নকৰে বা উত্তৰবহী পৰীক্ষা নকৰে। প্ৰশ্ন প্ৰস্তুতকৰ্তা, মডাৰেটৰ, উত্তৰবহী পৰীক্ষা কৰা, পুনৰীক্ষণ কৰা, টেবুলেশ্যন কৰা আদি কাৰ্য বিশেষজ্ঞ সকলেহে কৰে। সেই বিশেষজ্ঞ সকল মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ সন্মানীয় সহযোগী অধ্যাপক আৰু অধ্যাপক। তেখেত সকলে উত্তৰবহীত দিয়া নম্বৰ আৰু আয়োগে ঘোষণা কৰা নম্বৰৰ মাজত যদি বিসঙ্গতি আছে তেন্তে আৰ টি আই কৰি প্ৰমাণ কৰি দিবৰ বাবে অভিযোগকাৰী সকলক আয়োগে বিনম্ৰ অনুৰোধ জনাইছে।

এই কথা সকলোৰে জ্ঞাত যে পৰীক্ষাৰ বাবে আবেদন কৰা কোনো প্ৰাৰ্থীৰে ‘ক্ৰিমিনেল ৰেকৰ্ড’ পৰীক্ষা কৰাটো আয়োগৰ আওঁতাৰ ভিতৰত নপৰে। আয়োগে নিযুক্তি নিদিয়ে, কোনো পদৰ বাবে প্ৰাৰ্থীক অনুমোদনহে কৰে। ‘ক্ৰিমিনেল ৰেকৰ্ড’ থকা-নথকাটো পুলিচ অনুসন্ধানৰ যোগেদি নিশ্চিত হোৱাৰ পাচতহে চৰকাৰে নিযুক্তি দিয়ে। তাত লোকসেৱা আয়োগৰ কোনো ভূমিকা নাথাকে।

আয়োগে কোনো প্ৰাৰ্থীৰ মেধাক তেওঁৰ পিতৃ-মাতৃৰ পৰিচয়ৰ মাপকাঠিৰে নিৰ্ধাৰণ নকৰে। তেনেস্থলত কোনো অপৰাধী বা দাল-দৰিদ্ৰ বা বিষয়া-কৰ্মচাৰী বা মন্ত্ৰী-বিধায়কৰ পুত্ৰ-কন্যা নিজৰ দক্ষতাৰ বলত পৰীক্ষাত উত্তীৰ্ণ হ’লে আয়োগৰ কৰিবলগীয়া একো নাথাকে।

আয়োগৰ সকলো কামেই সামূহিক। অধ্যক্ষই এককভাৱে কোনো কামেই কৰিব নোৱাৰে বা নকৰে। তেনেস্থলত সদ্যঘোষিত ফলাফলৰ কাল্পনিক অভিযোগত অধ্যক্ষকে অভিযুক্ত কৰিবলৈ বিচৰাৰ অন্তৰালত কি ৰহস্য লুকাই আছে আয়োগে বুজি পোৱা নাই। কাৰ বিয়াত অধ্যক্ষই কাৰ আতিথ্য গ্ৰহণ কৰিলে আৰু কোন প্ৰাৰ্থীৰ পৰা ৬০ লাখ টকা ল’লে তাক স্পষ্ট কৰিবলৈ আয়োগে অভিযোগকাৰীক অনুৰোধ জনাইছে। কেৱল সেয়ে নহয়, কোন পৰীক্ষাৰ্থীক অধ্যক্ষই প্ৰশ্ন কাকত যোগান ধৰিছিল তাৰ তথ্য-প্ৰমাণসহ আদালতত অভিযোগ দাখিল কৰিবলৈকো প্ৰত্যাহ্বান জনোৱা হ’ল।

এই কথাও আয়োগৰ অৱগত যে অহা ৩১ মে’, ২০১৫ তাৰিখৰ পৰা অনুষ্ঠিতব্য সংযুক্ত প্ৰতিযোগিতামূলক লিখিত পৰীক্ষাৰ প্ৰাকমুহূৰ্ততো এনে বিভ্ৰান্তিমূলক বাতৰি ওলাব। এই প্ৰসঙ্গত পৰীক্ষাৰ্থী/প্ৰাৰ্থী সকলৰ প্ৰতি আয়োগৰ বিনম্ৰ অনুৰোধ তেওঁলোক যেন এনে ভিত্তিহীন বাতৰিত বিচলিত নহৈ পৰীক্ষাত নিজৰ মেধা প্ৰদৰ্শন কৰিবলৈ সংকল্পবদ্ধ হয়।

স্বাঃ
সচিব
অসম লোকসেৱা আয়োগ